# Assam Legislative Assembly Debates

*OFFICIAL REPORT*

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. IV**

No. 20

**The 30th March, 1984**

सत्यमेव जयते

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI DISPUR, GUWAHATI-5, 1989*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( *Budget Session* )

Vol. IV

No. 20

**Dated the 30th March, 1984**

Contents


| | Page |
|---|---|
| 1. Questions | 1 |
| 2. Statement by Minister | 31 |
| 3. Miscellaneous | 32 |
| 4. Calling Attention Notice | 33 |
| 5. Matter Under Rule 301 | 38 |
| 6. Laying of Reports | 41 |
| 7. Government Bill | 42 |
| (i) The Assam Ministers', Ministers' of State and Deputy Ministers' Salaries and Allowances ( Amendment ) Bill, 1984 | 42 |
| (ii) The Assam State Transport Corporation ( Prevention of Unauthorised Travel) (Amendment) Bill, 1984 | 43 |
| (iii) The Code of Criminal Procedure ( Assam Amendment ) Bill, 1984 | 57 |

(iv) The Assam Purchase Tax (Amendment) Bill, 1984 59

(v) The Assam Agricultural Income Tax (Amendment) Bill, 1984 60

(iv) The Assam Irrigation Bill, 1983 61

5. Adjournment 66

Proceedings of the Fourth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday the 30th March, 1984 with the Hon. Speaker in the Chair, 17 ( Seventeen ) Ministers, 4 ( Four ) Ministers of State, 6 ( Six ) Deputy Ministers, 1 ( One ) Parliamentary Secretary and 66 ( Sixty Six ) Members present.

## STARRED

### Questions and Answers

( To which oral replies were given )

Date : 30th March, 1984.

বি : অনানুষ্ঠানিক শিক্ষকৰ সংখ্যা

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

* ১৮৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমত বৰ্ত্তমানলৈকে নিযুক্ত অনানুষ্ঠানিক শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা কিমান ?

(খ) অনানুষ্ঠানিক শিক্ষা কেতিয়া আৰম্ভ কৰা হৈছিল আৰু কেতিয়ালৈকে চলোৱা হ'ব।

শ্ৰীমুকুট শৰ্মা ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৮৫। (ক)—৫৪৯৪ জন।

(খ)—অসমত অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ ১৯৮০-৮১ চনৰ পৰা আৰম্ভ কৰা হৈছিল, যদিও সামাজিক শিক্ষা তথা প্ৰাপ্ত বয়স্ক শিক্ষা বিভাগে ইয়াৰ কিছু সংখ্যক অনানুষ্ঠানিক কেন্দ্ৰ চলাই আছিল। বৰ্ত্তমান পৰ্য্যায়ত যষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনা শেষলৈকে এই শিক্ষা কেন্দ্ৰ সমূহ চলাবলৈ ঠিৰাং কৰা হৈছে। যদিও ৭ম পৰিকল্পনাতো এইবোৰ চলিব বুলি আশা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে, অনানুষ্ঠানিক শিক্ষা অনুষ্ঠানৰ যোগেদি কি শিক্ষা দিয়াৰ লক্ষ্য স্থিৰ কৰি লৈ এই শিক্ষা প্ৰদান কৰা হৈছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ গাওঁ অঞ্চলৰ বেছি ভাগ লোকেই অৰ্থনৈতিক ভাৱে দুৰ্ব্বল। সেইসকলৰ ল'ৰা-ছোৱালী বিলাকক সময়মতে স্কুললৈ পঠাব নোৱাৰে। সেই ল'ৰা-ছোৱালী সকলক বিশেষ শিক্ষা দিয়াৰ উদ্দেশ্যে এই অনানুষ্ঠানিক কি শিক্ষা প্ৰদান কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনেকি যে জনসাধাৰণৰ কিমান অংশ এই অনা অনুষ্ঠানিক শিক্ষাৰ যোগেদি শিক্ষিত কৰা হৈছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই গোটেই সংখ্যাটো ডাঙি ধৰিব নোৱাৰিলো। ইয়াৰ যোগেদি বহু সংখ্যক ল'ৰা-ছোৱালীয়ে শিক্ষা লোৱাৰ সুবিধা পাইছে।

শ্ৰীপূৰ্ণ বড়ো—মন্ত্ৰী মহোদয়ে জনাব নেকি, তেখেতে জনাইছিল ৫,৪৯৪ জন শিক্ষকে সেই অনানুষ্ঠানিক শিক্ষা অনুষ্ঠানত কাম কৰি আছে। তাত পুৰুষ কিমান আছে আৰু মহিলা কিমান আছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এই শিক্ষা অনুষ্ঠানত 'শিক্ষক সকলৰ লগত শিক্ষয়িত্ৰী কিমান আছে মই বিশেষ ভাৱে জনাব নোৱাৰিম।

শ্ৰীপূৰ্ণ বড়ো—এই শিক্ষ অনুষ্ঠানত শিক্ষক সকলৰ কিমান অহৰ্তাৰ প্ৰয়োজন আৰু তেওঁলোকৰ বেতন কিমান, তেওঁলোকৰ বেতন বৃদ্ধিৰ কিবা প্ৰস্তাৱ আছে নেকি ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এই শিক্ষক সকলৰ অহৰ্তা সৰ্ব্ব নিম্ন এইচ, এল, চি পৰীক্ষাত উৰ্ত্তীৰ্ণ হোৱা হ'ব লাগিব আৰু দৰমহা ১০৫ টকাকৈ দিয়া হয়। যিহেতুকে কেন্দ্ৰীয় চৰকাৰৰ যোগেদি এই অনুষ্ঠান কৰা হৈছে গতিকে কেন্দ্ৰীয় চৰকাৰৰ বিনা অনুমতিত দৰমহা বৃদ্ধিৰ কথাটো নুঠে।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে, বড়ো মিডিয়ামত এই অনা অনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—চাৰ, বড়ো মিডিয়ামত আছে।

শ্ৰীহৰেণ তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে এই শিক্ষক সকলৰ দৰমহা ১০৫ টকা। তেখেতে জনাব নেকি যে এম, ই লেভেলৰ শিক্ষক সকলৰ দৰমহা কিমান ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সকলো বিলাক শিক্ষকৰেই দৰমহা একে। তেওঁলোকৰ দৰমহা হ'ল ১২৫ টকা।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, এই অনা অনুষ্ঠানিক শিক্ষা অনুষ্ঠানৰ শিক্ষক সকলে ৩।৪ মাহ পাচতহে দৰমহা পায়। তেওঁলোকে নিয়মিত ভাৱে দৰমহা নাপায় সেই কথা মহোদয়ে জানেনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই শিক্ষা অনুষ্ঠান অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ মিলিহে কৰা হৈছে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহি পোৱাত পলম হ'লে দৰমহা দিয়াটো পলম হয়।

Shri Prasad Chandra Doloi—Sir, it is known from the reply of Minister that there are 5494 teachers under scheme of information education. May I know from the Minister how many Scheduled Cast. and Scheduled tribes teachers have been appointed ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো এই স্কুল সমূহ সাধাৰণ ভাৱে অৰ্থনৈতিক পিচপৰা অঞ্চলত কৰা হৈছে গতিকে তাত এচ, চি আৰু এচ, টি ৰ শিক্ষক নিশ্চয় থাকিব।

Shri Prasad Chandra Doloi—May I know the number ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—এতিয়া ডাঙি ধৰিব নোৱাৰিলো।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে গাওঁৰ মানুহক শিক্ষা দিয়াৰ কাৰণে এই শিক্ষা অনুষ্ঠান কৰা হৈছে। মন্ত্ৰী মহোদয়ে জনাবনেকি যে এই শিক্ষা অনুষ্ঠানত কি কি পাঠ্যপুথি দিয়া হৈছে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, প্ৰাথমিক শিক্ষাৰ কাৰণে পাঠ্যক্ৰমৰ ভিতৰত, পাটি গণিত প্ৰথম ভাগ, পঢ়ো আহা, শিকো আহা। এই খিনিয়েই এমিৰ কাৰণে বৰ্ত্তমান পাঠ্যক্ৰম দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা—মন্ত্ৰী মহোদয়ে জনাব নেকি যে, এই পাঠ্যপুথি সমূহ তেওঁলোকে সময় মতে পায় নে নাপায় ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এই পাঠ্যপুথি সমূহ বজাৰতো পায় আৰু তেওঁলোকক বিনামূলীয়াকৈ বিতৰণ কৰা হৈছে। গতিকে পাঠ্যপুথি সমূহ সময় মতেই পায়।

শ্ৰীচিলভিয়াচ কণ্ডপান—অধ্যক্ষ মহোদয়, এই অনা আনুষ্ঠানিক শিক্ষা অনুষ্ঠান সমূহত ৫৪৯৭ জন শিক্ষকক নিয়োগ কৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই শিক্ষক সকলৰ চাকৰিৰ কিবা নিৰাপত্তা আছেনে ? যদি নাই ইয়াৰ কিবা ব্যৱস্থা কৰাৰ চিন্তা মন্ত্ৰী মহোদয়ে কৰিব নে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগেয়ে কৈছো এই শিক্ষা অনুষ্ঠান সমূহ সম্পূৰ্ণ অস্থায়ী। ইয়াৰ প্ৰথম ভাগত দুই বছৰ আৰু মজলীয়া ভাগত তিনি বছৰত সম্পূৰ্ণ হয়। তাৰ পাচত তেওঁলোকক অন্য ঠাইলৈ নিয়া হয়। গতিকে তেওঁলোকৰ নিয়োগ ব্যৱস্থাটোৰ নিৰাপত্তাৰ কথা চিন্তা কৰা নাই।

Shri Binoy Kumar Basumatari—Sir, the hon'ble Minister

has uttered one word "Ekmo". May I know what is the meaning of the word 'ekmo'?

Shri Mukut Sarma (Minister)—Sir, it is 'Pratham, and I correct the word.

শ্রীমৌলানা আব্দুল জলিল চৌধুরী—অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রী মহোদয় জানেন কি এই যে ৫৪৯৪ জন শিক্ষক নন্ ফরমাল স্কুলে কাজ করে। নিজেদেরে আবদ্ধ রাখছেন—তাদের অনেকেই তাদের ভবিষ্যত্ সম্পর্কে সন্দিহান? ভবিষ্যতে তাদেরে এই নন্ ফরমাল এডুকেশন থেকে ফরমাল এডুকেশনে নিয়ে তাদের চাকরী ফরমাল করার কোন চিন্তাধারা মন্ত্রী মহোদয়ের আছে কি না? যদি থাকে তাহলে কতদিন পরে তা কার্য্যকরী করা হবে?

শ্রীমুকুট শর্মা (মন্ত্রী)—অধ্যক্ষ মহোদয়, মই আগতে কৈছো এই চাকৰি সমূহ সম্পূর্ণ অস্থায়ী। সেইকাৰণেই এই শিক্ষক সকল যাতে অবসৰ প্ৰাপ্ত শিক্ষক হয় তাৰ বাবে আমি বিশেষ গুৰুত্ব দিছো।

শ্রীবিমল গয়াৰী—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে বড়ো ভাষা মিডিয়ামতো অনা অনুস্থানিক শিক্ষাৰ কেন্দ আছে বুলি কৈছে। কিন্তু এতিয়ালৈকে কিমান বড়ো মিডিয়ামত কিমান অনা অনুস্থানিক শিক্ষা কেন্দ্র আছে জনাবনে?

শ্রীমুকুট শর্মা (মন্ত্রী)—তাৰ সম্পূর্ণ হিচাব এতিয়া দিব নোৱাৰিম।

শ্রীহৰেন্দ্র নাথ তালুকদাৰ—মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই বিষয়টো কুৰীদফীয়া কাৰ্য্যসূচীৰ অন্তর্ভুক্ত। কুৰিদফীয়া আঁচনিৰ কাৰণে যি ব্লক এডভাইজৰী কমিটি আছে তেওঁলোককে এই কর্ত্তব্য পালনৰ দায়িত্ব দিব নে?

শ্রীমুকুট শর্মা (মন্ত্রী)—আমি কুৰিদফীয়া আঁচনিৰ ব্লক পৰ্য্যায়ৰ কমিটিকে ইয়াৰ দায়িত্ব দিয়াৰ কথাটো চিন্তা কৰি আছো।

শ্রীবিমল গয়াৰী—মন্ত্রী মহোদয়ে কৈছে যে বড়ো মাধ্যমৰো অনা আনুস্থানিক শিক্ষাৰ কেন্দ্র আছে কিন্তু আমি জনাত ইয়াৰ কাৰণে কোনো পাঠ্যপুথিৰে

ব্যৱস্থা হোৱা নাই গতিকে কেনেকৈ বড়ো মাধ্যমৰ কেন্দ্ৰৰ ব্যৱস্থা কৰিছে।

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—সেইটো মই তথ্য পাতি চাইহে কব পাৰিম।

Mr. Speaker – I hope you will not press it, since the Minister is not prepared. Let us go to the next question without wasting time. Now St. Question No. 186.

Re : Land Occupied by Mizoram Government

Shri Main Uddin asked :

* 186. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that a portion of the Katamoni-Demagiri Coad with neighbouring land under Langai Forests Range within Karimganj District has been occupied by the Mizoram Government ?

(b) If so, the steps taken by Govt. in this regard ?

Shri Hiteswar Saikia ( Chief Minister ) replied.

186. (a) – Yes, the Mizoram Government have planted Trees on a portion of both sides of the Katamoni-Demagiri road, from the 16 KM point.

(b)—Protests have been lodged with Mizoram Government at Deputy Commissioner level and also at Government's level.

শ্ৰীমৈনুদ্দিন—অধ্যক্ষ মহোদয়, মিজোরাম অধ্যুষিত উক্ত এলাকায় আসামের কিছু সংখ্যক অধিবাসীকে মিজো লোকেরা যে অত্যাচার করে থাকে তা মুখ্যমন্ত্রী মহোদয় জানেন কি ?

Shri Hiteswar Saikia ( Chief Minister )—Yes, Sir, in the border areas with Mizoram there are.

শ্ৰীমথুৰা ডেকা—বৰ্ডাৰৰ সংঘৰ্ষবিলাকৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ সীমা মূৰীয়া অঞ্চল বিলাকত কাটা তাঁৰৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—এইটো কৰিব লাগে।

শ্ৰীহেমেন দাস বাতৰি কাকতত পালো যে অসম নগালেণ্ড সীমান্তত কিছু ঘটনা হোৱা বুলি ফাৰেষ্ট অফিচাৰ নগালেণ্ড পুলিচৰ। গতিকে বিবৃতি এটা পাব পাৰোনেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—দিয়া হ'ব।

বিঃ জনজাতীয় উন্নয়ন প্ৰকল্প

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৮৭। মাননীয় জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে কিছুমান জনজাতীয় এলেকা নিৰ্দ্দিষ্ট কৰি জনজাতীয় লোকৰ সকলো দিশৰ উন্নয়ণ কল্পে অন্তৰ্ভুক্ত কৰাটো সঁচানে আৰু যদি সঁচা, এনেধৰণৰ জনজাতীয় এলেকা কিমান সংখ্যক জনাবনে ?

(খ) উক্ত নিৰ্দ্দিষ্ট জনজাতীয় এলেকাৰ ভিতৰত অন্তৰ্ভুক্ত নোহোৱাকৈ অন্যান্য শ্ৰেনীৰ মাজত জনজাতীয় লোক বিস্তৰ পৰিমাণৰ থকা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, এনেকৈ অন্যান্য শ্ৰেণীৰ লগত থকা জনজাতীয় লোকৰ বাবে কেনেধৰণৰ সুবিধা চৰকাৰৰ পৰা আগবঢ়াইছে জনাবনে ?

শ্ৰীকুলবাহাদুৰ ছেত্ৰী ( জনজাতি আৰু অনুন্নত শ্ৰেণীৰ কল্যাণ বিভাগৰ উপ-মন্ত্ৰী ) যে উত্তৰ দিছে :

১৮৭। (ক)—সঁচা, অসমৰ জনজাতীয় উপপৰিকল্পনা ৰূপায়নৰ বাবে ১৯ টা জনজাতীয় উন্নয়ন প্ৰকল্প এলেকা গঠন কৰা হৈছে। ইয়াৰে তালিকা এখন সদনৰ মজিয়াত দিয়া হ'ল।

Annexure 'A'

(খ)—হয়, জানে।

(গ)—জনজাতীয় উন্নয়ন প্ৰকল্প এলেকাৰ বাহিৰত থকা ভৈয়ামৰ জনজাতিৰ লোকৰ দৰেই সংবিধান প্ৰদত্ত সকলোবোৰ সা-সুবিধা পাই আহিছে। আমি সামাজিক উন্নয়নৰ বাবে পঞ্চবাৰ্ষিক বছেৰেকীয়া পৰিকল্পনাৰ বিভিন্ন আঁচনিৰ যোগেদি ৰাজ্যৰ আন আন লোকৰ লগতে উপকৃত হোৱাৰ উপৰিও এইসকল জনজাতীয় লোকৰ বাবে "অনুন্নত সম্প্ৰদায় কল্যাণ শিতান"ৰ বিভিন্ন আঁচনিৰ জৰিয়তেও শিক্ষা অৰ্থ নৈতিক উন্নয়ন আদিৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা হয়। এই আঁচনিবোৰৰ বিশেষ বিৱৰণ সদনৰ মজিয়াত দিয়া হ'ল।

শ্ৰীমথুৰা ডেকা—যিসকল জনজাতীয় লোক ট্ৰাইবেল বেল্টৰ পৰা আতৰি আছে সেইসকলক কি ধৰণে সাহায্য দিছে?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ( উপ-মন্ত্ৰী )—সেই সকলে যেনেকৈ টি, এচ, পিৰ জনজাতীয় লোক সকলে সুবিধা পাইছে পঢ়া-শুনা, ইউনিফৰ্ম আদি পাইছে তেনেকৈ পাইছে। কৃষকৰ কাৰণে সহায় আগবঢ়োৱা হৈছে।

শ্ৰীমথুৰা ডেকা—কোন যুত্ৰৰ যোগেদি দিয়া হৈছে?

Shri Ranendra Narayan Busmatary ( Minister )—Sir, we have got the backward class sector and to help the tribal people living outside the Tribal Sub-Plan areas we have got pre-matric scholarship and then there is the provision of grants-in-aid to other institutions, the hon. members know about it. Not only in Education, in other sectors also we have got provision to provide grants in aid in the backward class sector and for this, budget has also been passed by this august House.

শ্ৰীমথুৰা ডেকা—জনজাতীয় এলেকাৰ বাহিৰত থকা জনজাতীয় লোকসকলৰ খোৱা পানীৰ আৰু বাঘে খোৱা মানুহ বিলাকৰ কিবা ব্যৱস্থা কৰিছেনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—উপ আঁচনিৰ বাহিৰত থকা লোক সকলক সহায় কৰাৰ কাৰণে জেনেৰেল প্লেনত ব্যৱস্থা আছে।

Shri Hasanuddin Ahmed—Mr. Speaker, Sir, in my own constituency there are many tribal villages but these have not been included in the Tribal Sub Plan area. So it has come to my notice that they have been denied the facilities provided therein. Will the Hon'ble Minister give assurance that he will issue instructions to the District Authorities ?

Shri Ranendra Narayan Basumatary ( Minister )—Mr. Speaker, Sir, so far 81% of the total tribal population has been brought under the Tribal Sub Plan. Only 19% has been left out and this 19% also has been living in a very scattered area, i.e, in scattered pockets and all these areas do not fulfill norms as laid down by the Central Government. So, Sir, the tribal population living in all those areas, as for example, all these living in the constituency of the Hon'ble Member cannot be brought under the Tribal Sub Plan area.

শ্ৰীমথুৰা ডেকা—ট্ৰাইবেল চাব প্লেনৰ বাহিৰত থকা জনজাতীয় লোক ১৯ শতাংশ বুলি কৈছে। এই হিচাপটো কৰ পৰা পালে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )–সহকৰ্মী শ্ৰীকুল বাহাদুৰ চেত্ৰীয়ে পঢ়ি শুনালে যে এতিয়ালৈকে ১৯ টা আই, টি, ডি, পি প্ৰজেক্ট আছে। এইটো কেন্দ্ৰীয় চৰকাৰে এপ্ৰুভ কৰিছে। গতিকে প্ৰকল্পৰ ভিতৰত ৮১ শতাংশ কভাৰ হৈছে। গাওঁ পঞ্চায়ত হিচাপে—Clusters of villages having tribal population concentration norms. ৮১ শতাংশ জনজাতীয় আছে।

শ্ৰীমথুৰা ডেকা—ট্ৰাইবেল সকলৰ একোটা এৰিয়া আছে। সেই এলেকাত যথেষ্টভাৱে টকা পইচা দিয়ে। যিবিলাক ট্ৰাইবেল এলেকাৰ বাহিৰত জনজাতীয় আছে সেইবিলাকৰ কি সুবিধা আছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মই আগতে কৈছো যে জেনেৰেল প্লেনৰ পৰা খৰছ কৰা হয়। নিবিড়ভাৱে ট্ৰাইবেল সকলক সহায় কৰাৰ কাৰণে ইনচেনচিভ আঁচনি লব লাগে আৰু সেইবিলাকত উন্নয়ণ প্ৰকল্প হিচাবে ১৯ টা ট্ৰাইবেল প্ৰকল্প তৈয়াৰ কৰা হৈছে। জেনেৰেল প্লেনৰ পৰা টকা খৰছ কৰা হয়। তদুপৰি ট্ৰাইবেল চাব প্লেনত বিশেষভাৱে আঁচনি লৈ খৰছ কৰা হৈছে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী অধ্যক্ষ মহোদয়, কনষ্টিটিউসনের প্রভিশন মতে টি এস পি, এস্ সি এবং অন্যান্য অনুন্নত সম্প্রদায়ের লোকদেরে উন্নত করে সমাজে একটা সমতা অনার বলা হৈয়েছে। কিন্তু আজ পর্য্যন্ত তাদেরে উন্নত করে সমাজে একটা সমতা আনা সম্ভব হয় নি। ভবিষ্যতে আরো কত বত্সর আমাদের লাগবে এমন কোন পরিকল্পনার কথা মন্ত্রি মহোদয় চিন্তা করেছেন কি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—ট্ৰাইবেল চাব প্লেনত আনিব লাগিলে গোটেই খিনি জনসংখ্যা অনুপাতেহে কৰা হয় আৰু তেনে ভাবে সিচঁৰিত জনসংখ্যাত লাগিব লাগিলে গোটেই অসম খনকে ট্ৰাইবেল চাব প্লেনত ৰাখিব লাগিব। ১৯৭৪-৭৫ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে বিশেষ ভাৱে এই ট্ৰাইবেল চাব প্লেন দিছে সেইটোত কিছুমান ব্যৱস্থা আছে। সেই মতেহে কৰিব পৰা যায়।

শ্ৰীসত্য তাঁতী—ট্ৰাইবেল এৰিয়াৰ স্কুল আদিৰ কাৰণে গ্ৰাণ্ট দিয়াৰ কথা আছে যদিও মোৰ সমষ্টিৰ এখন স্কুলত তৰা দেখা অৱস্থা হৈ আছে। ট্ৰাইবেল এৰিয়া বুলি গ্ৰাণ্ট দিয়াৰ ব্যৱস্থা থকা স্বত্বেও ট্ৰাইবেল এৰিয়াতে ল'ৰা-ছোৱালী অসুবিধাত পৰা আৰু স্কুল ঘৰৰ ভিতৰত তৰা দেখা এই অৱস্থাৰ প্ৰতি মাননীয় মন্ত্ৰী মহোদয়ে নজৰ দিবনে জানিব বিচাৰি এই প্ৰশ্ন উত্থাপন কৰিছো।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—সেই এৰিয়ালৈ নজৰ নিদিয়াৰ প্ৰশ্ন নুঠে। মাননীয় সদস্য নিজেই বিভিন্ন কমিটিৰ লগত আছে। শিক্ষা বিভাগৰ এলিমেণ্টৰি এডুকেশ্বন বোৰ্ডতো আছে। তেখেতে নিজেই সহায় কৰিব পাৰে আৰু হাইস্কুল বা এম ই স্কুলৰ কাৰণে ট্ৰাইবেল ফাণ্ডৰ পৰা দিব পাৰিব

আমাৰ ফালৰ পৰাও চাব প্লেনৰ পৰা দিব পৰা হয়।

Shri Rukmini Kanta Roy—Mr. Speaker Sir, is it not a fact that tribal population are scattered all over the State because of historical accident in some places which are not covered by Tribal Sub plan although contiguous to Tribal Sub Plan areas. But they are not given all benefits given to their brothers under T.S.P area and as such is it not a fundamental discrimination not to give those tribal people living in contiguous areas the benefit of it? Will the Hon. Minister state whether such discrimination will be discontinued?

Shri Ranendra Narayan Basumatary (Minister)—Sir, as I have already said, there is no discrimination and there cannot be any discrimination because in all over Assam there is tribal population and wherever there are tribal population if they are all to be brought within T.S.P I think, the whole of Assam will have to be brought under T.S.P. in that way. But Sir, the intention of the Govt. is not that, because there is a criterion. So Sir, all these tribal people in the State cannot be covered by T.S.P. As I have already stated, all these tribal people who are living outside the T.S.P. there is provision to give them the benefit.

শ্রীসুবল চন্দ্র দাস—অধ্যক্ষ মহোদয়, এই ট্রাইবেল জনসাধারনের উন্নয়নের জন্য চরকার বিভিন্ন পরিকল্পনা নিয়েছেন। এসব দেখে আমি খুব খুশী। তবুও আমি মন্ত্রী মহোদয়ের নিকট একটি কথা জানতে চাই যে ট্রাইবেল অধ্যুষিত অঞ্চল তথা তাদের সঙ্গে যে সব অনগ্রসর লোক থাকে তারা অনেক সময়ই তাদের ফলিত ফসল ঘরে তুলতে পারেন না। এক শ্রেণীর

বানৰ তা ধ্বংস করে ফেলে। তাদের ফসল রক্ষা করার কোন পরিকল্পনা মন্ত্রী মহোদয় নিবেন কি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—এইটো কৃষি বিভাগে কৰ পাৰিব।

শ্ৰীবৰ্গৰাম দেউৰী—ইতিমধ্যে আমাৰ যিখিনি ট্ৰাইবেল চাব-প্লেনত শতকৰা ৮১ ভাগক অনা বুলি মন্ত্ৰী মহোদয়ে কৈছে তাৰ উপৰিও নৰ্মচ্ মতে ট্ৰাইবেল লোক কনচেনট্ৰেটেড এৰিয়া আছে আৰু সেই বিলাক বাদ পৰিছে। সেই বিলাক লবলৈ অৰ্থাৎ এই চাব-প্লেনত অন্তৰ্ভূক্ত কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

Shri Ranendra Narayan Basumatary ( Minister )—Sir, some areas having tribal population perhaps have been left out, and whether this fulfils the norms etc. is however for the Planning Commission to decide. That will have to be looked upto and I have already costructed my Department to go into this matter in detail.

### বি : ষ্টেট্ ফেডৰ Balance-sheet

শ্ৰীদুৰ্গেশ্বৰ পাতিৰে সুধিছে :

* ১৮৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ষ্টেট্ ফেডে ১৯৮০-৮১, ১৯৮১-৮২ আৰু ১৯৮২-৮৩ চনৰ Balance sheet তৈয়াৰ কৰিছেনে ?

(খ) যদি কৰিছে, তাৰ কপি সদনত দাখিল কৰিবনে ?

(গ) যদি তৈয়াৰ কৰা হোৱা নাই তেনেহ'লে কিয় কৰা হোৱা নাই জনাবনে ?

(ঘ) ১৯৮৩-৮৪ চনত কিমানখন বৰ্ড অৱ ডিৰেক্টৰৰ মিটিং পতা হৈছে ?

শ্ৰীতিলক গগৈ ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৮৮। (ক)—ষ্টেট্ ফেডৰ ১৯৮০-৮১ আৰু ১৯৮১-৮২ চনৰ উদ্বৃত্ত পত্ৰ (Balance sheets) ৰ পৰিনিয়ত হিচাপ পৰীক্ষাৰ কাম সম্পূৰ্ণ হৈ গৈছে আৰু বৰ্ত্তমান সমবায় সমূহৰ পঞ্জীয়কৰ কাৰ্য্যালয়ত সংকলন হৈ আছে। ১৯৮২-৮৩ চনৰ

উদ্বৃত্ত পত্রৰ পৰিনিয়ত হিচাব পৰীক্ষাৰ কাম চলাই থকা হৈছে।

(ঘ)—৫ ( পাঁচ ) খন।

শ্ৰীদুৰ্গেশ্বৰ পাতিৰ—বোৰ্ড অব ডিৰেক্টৰচ্ৰ সভা কিমান বাৰ বহিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতিলক গগৈ ( সমবায় মন্ত্ৰী )—পাচ বাৰ।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, হিচাব প্ৰসঙ্গত এটা কথা জানিব বিচাৰিছো যে ষ্টেটফেডে মেচাৰ্চ এবিচিৰ পৰা আশী হাজাৰ টকা ধাৰলৈ লৈছিল এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে আৰু ৰাজহুৱা প্ৰতিষ্ঠান এটাই ব্যক্তিগত লোকৰ পৰা টকা ধাৰলৈ লোৱাৰ কিবা নিয়ম আছে নে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—চাৰ, চৰকাৰী অনুষ্ঠান নহয়, বোৰ্ড অব ডিৰেক্টৰচ্ৰ সভাত সময়ে সময়ে কি পলিচি লব সেইটো ঠিক কৰে আৰু সেই সিদ্ধান্ত অনুসৰি লৈছে।

শ্ৰীহেমেন দাস—ৰাজহুৱা অনুষ্ঠানে এনেকুৱা ব্যক্তিৰ পৰা ধাৰ লব পাৰে নে নোৱাৰে সেইটো কথা জানিব বিচাৰিছো আৰু বোৰ্ডৰ সিদ্ধান্ত লব পৰা নিয়ম আছে নেকি জানিব বিচাৰিছো।

শ্ৰীতিলক গগৈ ( সমবায় মন্ত্ৰী )—চৰকাৰৰ পৰা লব পাৰে চাৰ। এল-আই-চি আদিৰ পৰাও লব পাৰে। বোৰ্ড অব ডিৰেক্টৰচ্ৰ সিদ্ধান্ত অনুসৰি লৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—এই বোৰ্ড অব ডিৰেক্টৰচ্ৰ সিদ্ধান্ত লোৱাৰ পিচত চৰকাৰে অনুমোদন দিব লাগে নে নালাগে জনাবনে ?

শ্ৰীতিলক গগৈ ( সমবায় মন্ত্ৰী )—চৰকাৰৰ প্ৰয়োজন নাই।

Shri Rukmini Kanta Roy—Mr. Speaker Sir, is there any provision in the Organisation of STATFED giving some time limit to prepare their balance sheet ? It is seen that the balance sheet for the year 1981-82 and for

the year 1982-83 are being processed and scrutinised and as such the actual financial position cannot be ascertained. So may I request the Hon. Minister to let us know whether there is any provision, statutory or otherwise, that the balance sheet of the STATED organisation should be prepared within a particular time limit ?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—কৰপোৰেশ্যনৰ আইন মতে বছৰে বছৰে কৰিব লাগে। কিয়নো ষ্টেটফেড যোগান বিভাগ আৰু পলমকৈ ৰিলিফ বিভাগৰ লগত হিচাবৰ লগত যোগাযোগ থকা কাৰণে চাৰিমাহ মানৰ আগতে মই গোটেইকিটা বিভাগকে মাতি আনি কাৰ কি হিচাব আছে ঠিক ঠাক কৰিবলৈ বুলি এটা কমিটি কৰি দিয়া হৈছে আৰু এমাহমানৰ আগতে মই চেটল কৰি দিয়া মতে হিচাব পত্ৰ ঠিক ঠাক কৰিবলৈ লৈছে। সম্প্ৰতি আৰ-চি-এচ অফিচত বুক এডজাষ্ট কৰি থকা হৈছে আৰু তেতিয়াহলে বেলেঞ্চ চীট কৰি উলিয়াব পাৰিব।

Shri Rukmini Kanta Roy—Since the balance sheet is to be prepared annually what are the reasons that made much of delay in preparing balance sh eet for 1981-82 and 1982-83 ?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—যোগান আৰু ৰিলিফ বিভাগৰ কথা আছিল। ৰিলিফ ৰিভাগৰ কথা পলমকৈ আহিছিল যদিও যোগান বিভাগৰ লগত ১৯৭৭ চনৰ পৰা দেনা পাওনা আছিল আৰু চাৰি পাচ মাহ মানৰ আগতে মোৰ ওচৰলৈ অহাত যুটীয়াভাৱে আলোচনা কৰি মাত্ৰ এমাহ মানৰ আগত হিচাব ফাইনেল কৰি দিয়া হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে কমিটি কৰি দিয়া হৈছে, এই কমিটি কি? মই জানিব বিচাৰিছো এই ষ্টেটফেড সম্পৰ্কত ইতিমধ্যে যথেষ্ট আলোচনা এই সদনত হৈ গৈছে গতিকে এই সম্পৰ্কত

এটা অনুসন্ধান কমিটি গঠন কৰি দিব নে যাতে এই অনুসন্ধান কমিটিয়ে গোটেই বিষয়টো পৰ্য্যালোচনা কৰি ৰিপোৰ্টটো সদনত দাখিল কৰিব পাৰে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ ডাঙৰীয়া, ষ্টেটফেড সংক্ৰান্তত এই অধিবেশনতে আৰু আগৰ অধিবেশনতো ভালেকেটা প্ৰশ্ন উঠিছে আৰু বহু বিলাক সমালোচনাও হৈ গৈছে। কেইটামান প্ৰশ্নৰ উত্তৰত বিভাগীয় মন্ত্ৰী মহোদয়ে উত্তৰো দিছে যে বাৰ্ষিক হিচাব এতিয়াও হোৱা নাই। মই এই বিষয়টোৰ খা-খবৰ ৰাখিছো আৰু তেওঁলোকক নিৰ্দ্দেশ দিছো যে জুলাই মাহৰ ভিতৰত তেওঁলোকে বছৰেকীয়া অধিবেশন পাতিব লাগিব আৰু ১৯৮১-৮২ পৰ্য্যন্ত ষ্টেটফেড জন্ম হোৱাৰে পৰা গোটেই হিচাব পত্ৰ সেই বাৰ্ষিক সভাত দাঙি ধৰিব লাগিব আৰু সেই সভাৰ প্ৰতিবেদন আৰু অডিটেড ষ্টেটমেণ্ট চৰকাৰক দিব লাগিব আৰু সেই ৰিপোৰ্ট পালে আমি সদনক জনাব পাৰিম তেতিয়া সদনে এই বিষয়ে আলোচনা কৰিব পাৰিব।

বি : পৰিয়াল পৰিকল্পনা আঁচনি

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৮৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

পৰিয়াল পৰিকল্পনাৰ আঁচনিখন সমাজৰ সকলো অংশৰ লোকৰ মাজত সঠিক ভাৱে প্ৰয়োগ হৈছেনে ?

শ্ৰীভূমিধৰ বৰ্মণ ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৯।—হৈছে।

শ্ৰীমথুৰা ডেকা—পৰিয়াল পৰিকল্পনা আঁচনিখন অকল গাওঁ অঞ্চলৰ ৰাইজৰ উদ্দেশ্যে প্ৰয়োগ কৰা হৈছে নে চহৰ অঞ্চলৰ ডাঙৰ ডাঙৰ মানুহৰ কাৰণে প্ৰয়োগ কৰা হৈছে ?

ডাঃ ভূমিধৰ বৰ্মণ ( স্বাস্থ্য মন্ত্ৰী )—ডাঙৰ সৰু সকলোৰে কাৰণে আৰু চহৰ নগৰ গাওঁ ভূই সকলোৰে কাৰণে প্ৰয়োগ কৰা হৈছে।

শ্ৰীমথুৰা ডেকা—আমি দেখিছো আৰু গাওঁলীয়া ৰাইজে অভিযোগ কৰে যে

এই আঁচনি গাওঁত সৰু মানুহৰ কাৰনেহে প্ৰয়োগ কৰা হৈছে ডাঙৰ মানুহৰ কাৰণে হোৱা নাই, কথাটো নহয় জানো ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—এই আঁচনিখনত বহুত নিয়ম আছে যিবিলাক গাওঁৰ মানুহে নাজানে টাউনৰ মানুহে জানে সেই কাৰণে তেওঁলোকে অপাৰেচন নকৰাকৈয়ে অন্য ব্যৱস্থাৰে নিয়ন্ত্ৰণ কৰে কিন্তু গাওঁৰ মানুহে নাজানে কাৰণেই পিচত অসুবিধাত পৰে আৰু অপাৰেচন কৰিবলগীয়া হয়।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় জানেন কি যে আমাদের রাজ্যের অধিকাংশ লোকই বিলো প্ৰভারটি লাইনে এবং গ্ৰামের লোকেরা আৰ্থিক সংকটে জৰ্জরিত থাকায় তারা নিজেরাই আর অধিক ছেলে-মেয়ে চান না। তারা নিজেরাই এই পরিবার পরিকল্পনা গ্ৰহণ করছেন। এমতাবস্থায় তাদেরে আরো কিছু টাকা পয়সার লালসা দেখিয়ে তাদেরে বিভোন্তনা করার চেষ্টা চলছে। এসব চেষ্টা বন্ধ করে তাদেরে পরিত্ৰাণ দিতে পারেন কি না—মন্ত্ৰী মহোদয় জানাবেন কি ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—না স্যাৰ, এই লোকদেরে বুঝিয়ে এই কাজ করা হচ্ছে, কোন লোভ দেখিয়ে করা হয় না।

শ্ৰীমথুৰা ডেকা - মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো পৰিয়াল পৰিকল্পনাৰ আঁচনি ভাল ভাৱে প্ৰয়োগ কৰিবৰ কাৰণে যিবিলাক যৌন বিষয়ক চিনেমা ছবি প্ৰচাৰ পত্ৰিকা বাটে-ঘাটে দেখা যায় সেই বিলাক বন্ধ কৰাৰ ব্যৱস্থা কৰিবনে ?

ডা ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—সেইটো আমাৰ বিভাগৰ কথা নহয়।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—অপাৰেচন কৰাৰ পাচত যিবিলাক বেমাৰ আজাৰ হয় সেই বিলাকত সাহায্য দিয়াৰ কাৰণে চৰকাৰৰ কিবা ব্যৱস্থা আছে নে ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) – আমি তেওঁলোকৰ সম্পূৰ্ণ চিকিৎসাৰ দায়িত্ব লওঁ।

বি : জুধনৈ নদীৰ বান্ধ

শ্ৰীজগত পাটগিৰিয়ে সুধিছে :

* ১৯০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডুধনৈ নদীৰ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাইজৰ খেতি পথাৰ ৰক্ষা কৰিবলৈ নদীৰ দুয়োপাৰে বান্ধ দিবলৈ চৰকাৰে বিবেচনা কৰিছে নে ?

(খ) যদি কৰিছে, ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰে কেতিয়া লব জনাব নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৯০। (ক)—ডুধনৈ নদীৰ প্ৰতিৰক্ষা হিচাবে আৰু স্থতি বন্ধ কৰাৰ মানসেৰে আঁচনি প্ৰস্তুত ক'ৰি কাৰিকৰ উপদেষ্টা কমিটিত দাখিল কৰা হৈছিল। কিন্তু আঁচনি খন বিশেষ তথ্য পাতিৰে সৈতে পুনৰ বিবেচনাৰ্থে পৰবৰ্ত্তী কাৰিকৰ উপদেষ্টা কমিটিত দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়ে।

(খ)—কাৰিকৰ উপদেষ্টা কমিটিৰ অনুমোদন সাপেক্ষে আঁচনিখন বিবেচনা কৰা হ'ব।

শ্ৰীজগত পাটগিৰি—মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই আঁচনিত কিমান টকা ধৰা হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( বান নিয়ন্ত্ৰণ মন্ত্ৰী )—এই আঁচনিত প্ৰথমতে ডুধনৈ নদীৰ সোপাৰে কেবল মঠাউৰি বন্ধাৰ কাৰণে আঁচনি প্ৰস্তুত কৰা হৈছিল আৰু তেতিয়া ইয়াৰ প্ৰাককলন আছিল ১৪ লাখ ১৪ হাজাৰ টকা। তাৰ পিচত কাৰিকৰী উপদেষ্টা সমিতিয়ে উভয় পাৰত মঠাউৰি দিয়াৰ কাৰণে পুনৰ তথ্যপাতি বিচাৰি পৰীক্ষা-নিৰীক্ষা কৰিবলৈ নিৰ্দ্দেশ দিলে। সেই কাৰণে সেই উপদেষ্টা সমিতিত এই আঁচনি অনুমোদন নজনালে। এতিয়া আমাৰ বিভাগে পৰীক্ষা-নিৰীক্ষা কৰি দুয়োপাৰে মঠাউৰি বন্ধাৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্তত উপনীত হৈছে আৰু এই তথ্যপাতিৰে অহা কাৰিকৰী উপদেষ্টা সমিতিত এই প্ৰাকলন পুনৰ দাঙি ধৰা হ'ব।

শ্ৰীমথুৰা ডেকা—বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে বিবেচনা কৰা হ'ব বুলি কৈছে আৰু কাৰিকৰী উপদেষ্টা সমিতিৰ কথা কৈছে কিন্তু বাৰিষাৰ আগতে মঠাউৰি আৰু নদীৰ গড়াখহনীয়া ৰক্ষা কৰিব পাৰিব নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী )—গড়াখহনীয়া প্ৰতিৰোধ বা মঠাউৰিৰ কাৰণে যিবিলাক আঁচনি টি এ চিত ১৯৮৩-৮৪ চনৰ কাৰণে অনুমোদন হৈছে সেই আঁচনিবিলাক ইতিমধ্যে আমাৰ অসম ৰাজ্যত ব্ৰহ্মপুত্ৰ উপত্যকা বান

নিয়ন্ত্রন বোর্ড যʼত আমালোকৰ মুখ্যমন্ত্রী সভাপতি তেখেতৰ অধ্যক্ষতাত এই আঁচনি বিলাক অনুমোদন কৰা হৈছে। এই আঁচনি তেতিয়া অহা নাছিল কাৰণ আৰু তথ্যপাতিৰ দৰ্কাৰ হʼল। এতিয়া তথ্যপাতি সংগ্রহ হৈছে আঁচনি ১৯৮৪-৮৫ চনত হৈ যাব।

### Re : Promotion of Stenographers

Shri Silvius Condpan asked :

* 191. Will the Chief Minister be pleased to state—

(a) Whether there is any proposal to give promotion to Grade I Stenographer/Private Secretaries to other higher rank ?

(b) If so, what are the proposals and when the proposals will be implemented ?

(c) It is a fact that the former Chief Minister Shri S.C. Sinha passed orders for promotion of Grade I Stenographers to the post of Under Secretary ?

(d) If so, whether the Government has implemented ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

191 (a)—Yes, There is a proposal to give promotion to the Grade I Stenographers of the Assam Secretariat to higher ranks on the basis of the recommendation of pay Commission, 1979.

(b)—The proposal is to give promotion to the Stenographers Grade I of the Assam Sectt. to the posts of Senior Grade Stenographers. The proposal is under consideration of the Government.

(c)—It is not a fact.

(d) Does not arise.

Shri Silvius Condpan—Sir, may I know from the Hon'ble Chief Minister whether it is a fact that there is a standing practice in the Central Sectt. to give promotion to the Sr. Grade I Stenographers to the post of Under Secretary ? In view of this, may I know from the Hon'ble Chief Minister whether the State Govt. will also consider for promotion of Sr. Grade (I) Stenographers to the post of Under Secretary ?

Shri Hiteswar Saikia ( Chief Minister )—Sir, it was evamined by the Pay Commission and the Pay Commission did not find any such practice either in the Central Govt. or in any other State Govts.

Re : Rapeseeds and palm oils

Shri Borgoram Deuri, asked :

* 192. Will the Minister, Food & Civil Supplies by pleased to state—

The norms for allotment and distribution of rapeseed and palm oils in the State ?

Shri Tilok Gogoi ( Minister, Food & Civil Supplies ) replied :

193. Allotment of rapeseed and Palm oil is made to different Deputy Commissioner (s) and Sub-divisional Officer (s) on lump-sum basis. Considering consumers' demand, which are lifted by STATFED, NCCF and other nominees of Government Rapeseed and Palm oil are distributed only through Fair Price Shops, retial out-lets of STATFED etc. under P.D.S.

শ্ৰীবৰ্গৰাম দেউৰী—এতিয়ালৈকে ৰেপচিড আৰু পাম অইল কিমান দিয়া হৈছে জনাব নে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—ৰেপচিড আৰু পাম অইল ক্ৰমান্বয়ে ৬০০ আৰু ২৬০ টন দিয়া হৈছে। এই বিলাকৰ পাৰমিট এন চি চি এফ, ষ্টেটফেড বা যি বিলাকৰ ডিলাৰশ্বিপ আছে সেই সকলক আনিবলৈ পাৰমিট দিয়া হয়। যাতে খোৱা তেলৰ দাম নাবাঢ়ে তাৰ কাৰণেই এই দুবিধ বস্তুৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীবৰ্গৰাম দেউৰী—মই জানিব বিচাৰিছো যে গোটেই অসমতে এই বছৰটোৰ ভিতৰত কিমান ৰেপচিড আৰু পাম অইল দিয়া হৈছে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—এই বিলাক মাহে মাহে দিয়া হয়। বছৰৰ লিষ্টখন এতিয়া মোৰ হাতত নাই লাগিলে পিচত দিব পাৰিম।

শ্ৰীবৰ্গৰাম দেউৰী—এই বিলাকৰ পাৰমিট ব্যক্তিগত ব্যৱসায়ীক দিয়া হৈছে নেকি ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—আমাৰ মাজত এটা ভুল কথা চলি আছে। ৰেপচিড হৈছে ইমপৰটেড বস্তু। মুকলি বজাৰত এই বিধ সামগ্ৰী বিক্ৰী কৰিব নোৱাৰে। প্ৰাইভেট পাৰ্টিয়েই হওক বা আনেই হওক যি বিলাকৰ ডিলাৰ-শ্বিপ আছে সেই সকলৰ মাজত এলটমেণ্ট ভাগ কৰি দিয়া হয়। এই বিলাক মুকলি বজাৰত বিক্ৰী কৰিব নোৱাৰে। ৰেচন কাৰ্ডৰ জৰিয়তে বিক্ৰী কৰা হয়। আৰু এই বিলাক বস্তু নি ডি চি আৰু এচ ডি-অক জমা দিব লাগে। তেতিয়া ডি চি, এচ ডি অ সকলে এই বিলাক কম কিমান লাগে সেই মতে বিতৰণ কৰি দিয়ে। মুকলি বজাৰত বিক্ৰী কৰিলে আইনমতে জগৰীয়া হ'ব। ডিলাৰশ্বিপৰ লাইচেন্স থকা লোকেহে এই বিলাক বস্তু পাব পাৰে।

শ্ৰীহেমেন দাস—পাম অইল কি আৰু কিহত ব্যৱহাৰ কৰে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী )—সাধাৰণতে মিঠাই জাতীয় বস্তু বনাওতে এই তেল ব্যৱহাৰ কৰা হয়।

শ্ৰীমথুৰা ডেকা—আমি বাতৰি কাকতত পাইছো যে ব্যক্তিগত লোককো ৰেপ-চিড দিয়াটো সচাঁনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)- ডিলাৰশ্বিপ লাইচেন্স যি বিলাকৰ আছে সেই বিলাককহে দিয়া হয়।

শ্ৰীবৰ্গৰাম দেউৰী– ডিলাৰশ্বিপ কিমান দিয়া হৈছে আৰু কাক কিমান দিয়া হৈছে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)–ডিলাৰশ্বিপ লাইচেন্স দিয়া যি বিলাক অথৰিটি আছে তেওঁলোকে এই বিলাক তথ্য সংগ্ৰহ কৰে।

শ্ৰীজয়নাল আবেদিন—ব্যক্তিগত পাৰ্টিক ৰেপচিড দিয়া নাই নেকি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—ডিলাৰশ্বিপ থাকিলে পাব।

শ্ৰীবৰ্গৰাম দেউৰী—ডি চি, এচ ডি অৰ ৰিকমেণ্ডেচনৰ ওপৰত ভিত্তি কৰি যিবিলাকৰ ডিলাৰশ্বিপ আছে সেই বিলাকক দিয়া হয়। কিন্তু প্ৰাইভেট পাৰ্টিক দিয়া হৈছেনে নাই ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—মই কৈছো যই যে এই বিলাক মুকলি বজাৰত বিক্ৰী কৰিব নোৱাৰে। ডিলাৰশ্বিপ লাইচেন্স যি বিলাকৰ আছে তেওঁলোকে সংগ্ৰহ কৰি ডি চি, এচ ডি অক জমা দিব লাগিব। তাৰ পিচত তেওঁলোকে ষ্টক ভাগ কৰি দিব। এইটো ভায়লেট কৰিলে শাস্তিৰ বিধান আছে।

শ্ৰীবৰ্গৰাম দেউৰী—ডিলাৰশ্বিপ নোহোৱাকৈ হলচেল কৰি থকাৰ কথা জানেনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)– তেনেকুৱা খবৰ মোৰ হাতত নাই।

বি: বোকাপথাৰৰ যুৱক সন্ধানহীন

শ্ৰীসত্য তাঁতীয়ে সুধিছে:

* ১৯৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) ১৯৮৩ চনত নিৰ্ব্বাচন চলি থকা সময়ত বোকাপথাৰ (সাপেখাতী) অঞ্চলৰ শ্ৰীসাধুৰাম তাঁতী নামে এজন ২৪ বছৰীয়া যুৱক লংপটীয়া অঞ্চলৰ পৰা সন্ধানহীন হৈ থকা কথাটো জানেনে ?

(খ) যদি জানে, যুৱকজন বৰ্ত্তমান মৃত নে জীৱিত অৱস্থাত আছে জনাবনে ?

(গ) যদি মৃত, চৰকাৰে ঘোষণা কৰা মতে তাৰ পৰিয়াল বৰ্গক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৩। (ক)—হয়।

(খ) ল'ৰাজন বৰ্ত্তমান জীৱিত অৱস্থাত আছে নে মৃত্যু হৈছে এতিয়ালৈকে জানিব পৰা নাই।

(গ)—যিহেতু ঘটনা এতিয়াও তদন্তাধীন, গতিকে পৰিয়াল বৰ্গক ক্ষতিপূৰণ দিয়াৰ প্ৰশ্ন নুঠে।

শ্ৰীসত্য তাঁতী—মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ল'ৰাজন জীৱিত আছে নে নাই কব নোৱাৰে। কিন্তু মই তেখেতক আগতেই কৈছো যে অনুসন্ধানকাৰী দলে অনুসন্ধান ভালকৈ কৰা নাই। গতিকে ভালকৈ অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, মোৰ হাতত থকা তথ্য মতে ল'ৰাজন ১২ তাৰিখেই হেৰাল। ২৭ ফেব্ৰুৱাৰী তাৰিখে ল'ৰাজনৰ ককায়েকে দৰ্খাস্তৰ যোগে জনাইছে যে ল'ৰাজন ডিব্ৰুগড়ৰ ফালে গৈ নোহোৱা হৈছে। ল'ৰাজনৰ মূৰত বিকৃতি আছিল। সেই কথা ককায়েকে জনাইছে আৰু ইয়াৰ আগতেও এইদৰে কেইবাবাৰো নিৰুদ্দেশ হৈছিল। কিন্তু এতিয়াও অনুসন্ধান কৰি থকা হৈছে।

Re : Earth work in Goalpara E & D Office Compound

Shri Mohammad Ali asked :

* 194. Will the Minister Flood control be pleased to state—

(a) Whether it is a fact that the earth work of the Office Compound of E & D Office, Goalpara was done by the E. E. himself with his own truck ?

(b) If so, whether it is also a fact that the levelling was done before recording measurement and bill was paid without measurement ?

Shri Ranendra Narayan Basumatari (Minister, Flood Control) replied :

194. (a)—No.

(b)—Dose not arise.

শ্ৰীমহম্মদ আলি—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা জনাব নে যে কোন তাৰিখে এই কামৰ কাৰণে টেণ্ডাৰ কল কৰা হৈছিল, কোন তাৰিখে ইয়াক গ্ৰহণ কৰা হৈছিল আৰু কিমান জন টেণ্ডাৰাৰে ইয়াত আছিল আৰু প্ৰত্যেকৰে ৰেট কি আছিল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) কোন তাৰিখে এই টেণ্ডাৰ কল কৰা হৈছিল সেই আচল তাৰিখটো মোৰ হাতত বৰ্ত্তমান নাই যদিও সেইটো যোৱা জানুৱাৰী বা ফেব্ৰুৱাৰী মাহৰ ভিতৰতে হ'ব। ৰেট যিটো আছিল—সেইটো হ'ল পাৰ কিউবিক মিটাৰ—১৬ টকা আৰু কণ্টেক্টৰ কেইজনো স্থানীয় মানুহেই আছিল।

শ্ৰীমহম্মদ আলি—কেইজন কণ্টেক্টৰে ইয়াৰ বাবে নিবিদা দিছিল আৰু তেওঁলোকৰ ৰেট কি আছিল সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী)-কিমানজন কণ্টেক্টৰে নিবিদা চাবমিট কৰিছিল আৰু তেওঁলোকৰ ৰেট কি আছিল সেইটো বৰ্ত্তমান মোৰ হাতত নাই। কিন্তু মুঠতে ৫ জন কণ্টেক্টৰক এই কাম দিয়া হৈছিল আৰু তাৰ ৰেট আছিল ১৬ টকা পাৰ কিউবিক মিটাৰ।

শ্ৰীমহম্মদ আলি—যি কেইজন ঠিকাদাৰক এই কাম দিয়া হ'ল তেওঁলোকৰ নামকেইটা মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী)—তেওঁলোকৰ নাম হ'ল—শ্ৰীজয়ন্ত কলিতা, মঃ মনোৱাৰ আলি, শ্ৰীজানাহুদ্দিন আহমেদ, শ্ৰীৰফিকুল হুছেইন, শ্ৰীমমতাজ আলি।

## Re : Sub-division at Bihpuria

Shri Borgoram Deuri asked :

* 195. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that public of Bihpuria has demanded for creation of separate Sub-Division at Bihpuria ?

(b) If so, whether Government of Assam has agreed to create a separate Sub-Division at Bihpuria ?

(c) If not, the reason thereof ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

195. (a) – Yes, some representations have been received.

(b)—It is under examination.

(c)—Does not arise.

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ – অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে আৰু কোন কোন ঠাইৰ পৰা মহকুমাৰ দাবী আহিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) – অধ্যক্ষ মহোদয়, আৰু কেইবাখনো ঠাইৰ পৰা মহকুমাৰ দাবী আহিছে ! যেনে—ঢকুৱাখানা, যিলামৰা আদি ।

শ্ৰীলেখন লাহন—অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ যি ৬ খন নতুন জিলা আৰু ৮ টা মহকুমা গঠন কৰা হ'ল, সেই কেইথন কহলি কমিশ্যনৰ ৰিপোৰ্টৰ ওপৰতে ভিত্তি কৰি কৰা হ'ল। এই কহলি কমিশ্যনক বিহপুৰীয়াৰ ৰাইজে বিহপুৰীয়াত মহকুমা হ'ব লাগে বুলি আবেদন নিবেদন কৰা বুলি আমি জানিবলৈ পাইছো। এইটো সঁচা নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইটো সঁচা যে ১৯৭৪ চনত কহলি কমিশ্যনৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিয়েই এই নতুন জিলা আৰু মহকুমা গঠন কৰা হৈছে। কিন্তু সেই কমিশ্যনত যি সকলে ৰিপ্ৰেজেণ্টেশ্যন দিছিল, তাত বিহপুৰীয়া ৰাইজৰ ৰিপ্ৰেজেণ্টেশ্যেন পোৱা হোৱা নাই ।

শ্ৰীচিৰাজুদ্দিন—অধ্যক্ষ মহোদয়, নতুন জিলা আৰু মহকুমা গঠনত বিলাসীপাৰাৰ ৰাইজেও দাবী জনাই আহিছে। সেইটো চিন্তা কৰি চাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )— সেইটো সময়ত ব্যৱস্থা লোৱা হ'ব।

বি : জিৰণি ঘৰ

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৯৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শৰাইঘাট দলঙৰ হাজো আৰু বাইহাটাৰ পৰা অহা আলিৰ সংযোগ স্থলিত বাচলৈ অপেক্ষা কৰি থকা দূৰণীবতীয় যাত্ৰীৰ ভীৰ হোৱা জানেনে ?

(খ) যদি জানে সেই সংযোগ স্থলিত এটি গড়কাপ্তানী বিভাগৰ পৰা জিৰণি ঘৰ সজাব ব্যৱস্থা কৰিবনে ?

শ্ৰীজগন্নাথ সিংহ ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৬। (ক)—শৰাইঘাট দলঙৰ হাজো আৰু বাইহাটাৰ পৰা অহা আলিৰ সংযোগ স্থলিত যাত্ৰীৰ উঠা নমাৰ কাৰণে অসম পৰিবহন নিগমৰ বাছ ৰখা হয়। এই ঠাইৰ পৰা পৰিবহন নিগমৰ বাছ কম সংখ্যক যাত্ৰীয়ে চলাচল কৰে।

(খ)—গড়কাপ্তানী বিভাগৰ পৰা এটা জিৰণি ঘৰ সজাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰা হ'ব।

শ্ৰীমথুৰা ডেকা — অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানে নে এই ঠাইখন কোনখিনি ঠাইত আছে আৰু তাত যে যাত্ৰীৰ ভীৰ হয় সেই কথা পৰিবহন নিগমে গম পায় নে নেপায় ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী )—মই পৰিবহন নিগমৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিয়েই কৈছো।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এইটো এটা জংচন। বৰপেটা আৰু মঙ্গলদৈৰ ফালৰ পৰা বহুতো মানুহ আহি ইয়াত ৰব লগা হয়। ৰদৰ কথা বাদেই বাৰিষা তাত মানুহ ৰবলৈ কোনো সুবিধা নাই। মন্ত্ৰী মহোদয়ে এই বিষয়ে সোনকালে কিবা ব্যৱস্থা লবনে ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী )—সোনকালে ব্যৱস্থা লবলৈ আমি চেষ্টা কৰিম।

বি : লাইবিল দিহিংমুখ মঠাউৰি

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*১৯৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ জিলাৰ ডিমৌ বান নিয়ন্ত্ৰণ চাৰ ডিভিজন এলেকাৰ ভিতৰত পৰা দিহিং নদীৰ লাইবিল দিহিংমুখ মঠাউৰিৰ প্ৰথম কিলোমিটাৰৰ অংশটো অতি দুৰ্বল হৈ পৰাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, এই দুৰ্বল অংশটো শক্তিশালী কৰা অথবা বিকল্প কিবা ব্যৱস্থা বৰ্ত্তমান লোৱা হৈছে নেকি ?

(গ) এই দুৰ্বল অংশটো ভাগিলে বহু কেইটা মৌজা বিধ্বস্ত হৈ দুখীয়া স্থানীয় খেতিয়ক পৰিয়াল সমূহ বিপদত পৰিব বুলিও জানেনে ?

(ঘ) যদি জানে, এই খৰালি মাহৰ ভিতৰতে কাৰ্য্যকৰী শক্তিশালী ব্যৱস্থা লৈ স্থানীয় ৰাইজক বিপদৰ পৰা বচোৱাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৭। (ক)—জানে ?

(খ)—দুৰ্বল অংশত ৰিটায়াৰমেণ্ট বান্ধ আৰু লগতে ব্ৰহ্মপুত্ৰ মঠাউৰিৰ কিছু অংশ শক্তিশালী কৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ)—জানে।

(ঘ)—কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীমহম্মদ আলি—অধ্যক্ষ মহোদয়, এইটো কেতিয়াৰ পৰা কৰা হ'ব বা কেতিয়াকৈ টেণ্ডাৰ কল কৰিব সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—বাৰিষাৰ আগতে এই কাম যাতে শেষ কৰিব পাৰি সেইমতে কৰা হ'ব।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, বাৰিষা আহিবলৈ আৰু কিমান দিন বাকী আছে মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীৰ'ণন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ ইয়াত সাধাৰণতে বিছুৰ পিচৰ পৰাই বাৰিষা আৰম্ভ হয়। সেই মতে আমি এইটো মে মাহত ধৰিব পাৰো। গতিকে মে মাহৰ আগেয়ে কামটো শেষ কৰা হ'ব।

## SHORT NOTICE

### Questions and Answers

**Date : 30th March, 1984**

**Re : Nation Book on Jyoti Sangeet.**

Shri Hemen Das asked :

4. Will the Chief Minister be pleased to state—

(a) Whether Govt. have received a copy of a Notation Book of Jyoti Prasad Agarwala prepared by the expert Committee of Jyoti Bharati, Tezpur ?

(b) If so, what steps have been taken by Govt. for publication of the Book ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

4. (a) The Directorate of Cultural Affairs, Assam, has received a copy of the notation Book on Jyoti Sangeet.

(b) Quotation for printing of the notation Book has been called, Rs. 45,000/—has been sanctioned for printing. Printing of notation book will be taken up soon.

Shri Hemen Das—Mr. Sir, I shall amend the question with substituting "from the sons of Jyoti Prasad Agarwalla"

in between the words "received" and "a" to my original question. Now the question 4 (a) will be :

Whether the Government have received from the sons of Jyoti Prasad Agarwalla a copy of........

শ্ৰীমথুৰা ডেকা – অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা জানেনে যে এইবাৰ তেজপুৰৰ বান ৰঙ্গমঞ্চত বিষ্ণুপ্ৰসাদ ৰাভা জন্ম শতবাৰ্ষিকি পাতিব দিয়া নহ'ল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) – সেইটো মই অনুসন্ধান কৰিহে জনাব পাৰিব।

## Re : Ayurvedic College

Shri Binoy Kumar Basumatari asked :

5. Will the Minister Health be pleased to state—

(a) Whether it is a fact that the Govt. has on Ayurvedic College under it, at Gauhati ?

(b) If so, Whether the College is manned by teachers qualified as per Governor's Notification No. HLB. 99/77/14 ?

(c) If not, whether the allegations levelled by the Gauhati Ayurvedic College Students Union are true ?

(d) Whether it is also true that this Student Union has issued an ultimatum to the Govt. ?

Dr. Bhumidhar Barman ( Minister, Health ) replied :

5. (a) Yes.

(b) In all its spheres of activities, the norms prescribed by C. C. I. M. are followed by Government Ayurvedic

College, Gauhati. In Govt. Notification No. HLB. 99/77/14 dated 6.3.78, for recruitment to the posts of Lecturer in various Disciplines of the College, Post Graduate Degree in respective subjects was prescribed. This prescription now appears to be not in conformity with the prescribed norms of C.C.I.M. for recruitment of teaching staff in Ayurvedic Colleges This anomally will be done away with shortly. C.C.I.M. prescribes Post Graduate qualificaton in Ayurvedic as desirable but not as essential for manning the teaching staff in Ayurvedic Colleges. Degree or Diploma in Ayurveda from a University established by Law or a Statutory Board/Faculty/Examining body of Indian Medicine and equivalent is essential qualification for recruitment to to the posts of Lecturers in Ayurvedic Colleges. Teachers are being recruited as per norms prescribed by C.C.I.M.

(c) In view of what has been stated against (b) above, the allegations levelled by Govt. Ayurvedic College Students Union are not true.

(d) Yes. The Ayurvedic College Student's Union, Gauhati issued an ultimatum to the Govt. on 23.2.84. Govt. in the Health Deptt. made Govt.'s stand on the 12 point demands of the Students Union clear to the General Secretary of the Union by letter No. HLB. 517/82/159 dated 3.3.84. Secretary, Health & F.W. Deptt. also met a Four Member Deputation of the Students Union at 11.30. A.M. on 9.3.84 at his Office Chamber and had a thread-bare discussion on their demands, Seemingly,

the Students could appreciate the stand of the Govt. on their various demands and were fully satisfied with the action Govt. proposed to take for fulfilment of their various demands within the limitation of variable resources.

Shri Binoy Kumar Basumatari—Mr. Speaker, Sir, it is apparent from the reply of the Honourable Minister that the Government Notification is in contravention to the standard laid by the CCIR. Will the Government amend it ?

Dr. Bhumidhar Barman ( Minister )—Yes, Sir. That was actually necessary. We are going to amend it.

শ্ৰীহেমেন দাস—চাৰ, এটা প্ৰশ্ন উঠিছে পি, জি ডিগ্ৰী হল্ডাৰ শিক্ষক নথকাৰ কাৰণেই গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াক স্বীকৃতি নিদিয়াকৈ ৰাখি থৈছে, এতিয়া ইয়াক স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিছেনে ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—চাৰ, এইটো কথা সঁচা, আমি বহু বিচাৰিও আৰু বিজ্ঞাপন দিও এনে মানুহ পোৱা নাছিলোঁ। আমি কেইবাবাৰো বিচাৰিছিলো আনকি অকল অসমতেই নহয় আনকি বাহিৰৰ পৰাও আনিব খুজিছিলোঁ। কিন্তু বাহিৰতো এনে মানুহ নাপালোঁ। সেই কাৰণেই আমি বিশ্ববিদ্যালয়ৰ লগত এইটো টেক আপ কৰিছোঁ আৰু এইটো তেওঁলোকক মানি লবলৈ দিয়া হৈছে।

Shri Binoy Kumar Basumatari ( Minister )—Mr. Speaker, Sir, is the Government going to withdraw this Government Notification No. HLB. 99/77/14 as this is in contravention with norms of the CCIR ?

Dr. Bhumidhar Barman ( Minister )—Mr. Speaker, Sir, I have already stated that we are going to take action in this regard.

Shri Binoy Kumar Basumatri – Mr. Speaker, Sir, is it true that present Principal of Government Ayurvedic College does not have the requisite qualifications to be the Principal ?

Dr. Bhumidhar Barman ( Minister )—Mr. Speaker, Sir, I agree with the Honourable Member. We are going to recruit a new Principal for the Government Ayurvedic College.

Shri Binoy Kumar Basumatari – Mr. Speaker, when the Government will recruit a new Principal ?

Dr. Bhumidhar Barman ( Minister )—Mr. Speaker, Sir, very soon we are going to recruit.

Honourable Speaker—Honourable Minister, Education wants to rectify some of the answers he has given on Starred Question No. 179. Honourable Minister, Education may now give his answers.

## Statement By Minister

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) – অধ্যক্ষ মহোদয়, যোৱা কালি ১৭৯ নং পৰিপূৰক প্ৰশ্নৰ উত্তৰত কৈছিলো৷ যে ষ্টেট লেভেল কমিটিত যিমান নন ফৰমেল স্কুল আছে তাত শিক্ষকৰ নিযুক্তিৰ বয়স হ'ব লাগে ৩০ বছৰ। কিন্তু আচলতে এইটো এডাল্ট এডুকেশ্যনৰ ক্ষেত্ৰতহে হ'ব লাগিছিল।

## Miscellaneous

* শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, কৃষক উচ্ছেদৰ সম্পৰ্কত মই এটা কথাত সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। মই আজি এখন চিঠি পাইছোঁ। গোলাঘাট মহকুমাৰ টেঁঙানি অঞ্চল বনাঞ্চলৰ উচ্ছেদ কাৰ্য্যৰ সম্বন্ধে।

তাত উচ্ছেদ কাৰ্য্য আজিও চলি আছে। যি সকল মানুহক তাত উচ্ছেদ কৰা হৈছে সেই সকলো মানুহ ১০ বছৰ পৰ্য্যন্ত তাত খেতি বাতি কৰি বসবাস কৰি আছে। সেই সকলো মানুহ বানপানী আৰু খহনীয়াৰ বাবে স্বাভাৱিকতে ভূমিহীন হৈ সেই অঞ্চলত বহিছিলগৈ। সেই সকল মাজুলী, যোৰহাট আৰু গোলাঘাট অঞ্চলৰ থলুৱা মানুহ। তাত প্ৰায় ৭০০ টা পৰিয়াল আছে, জনসংখ্যা অৱশ্যে কব নোৱাৰোঁ। এক অভিনৱ পদ্ধতিৰে এই উচ্ছেদ কাৰ্য্য তাত চলোৱা হয়। কোনো বস্তু ধান চাউল আদি বাহিৰলৈ উলিয়াই নানাকৈয়ে প্ৰায় ৫৫-৬০ ঘৰ মানুহৰ ঘৰত জুই লগাই দিয়া হয়। পিচতো এই উচ্ছেদ কাৰ্য্য চলি আছে। মানুহৰ ধান চাউল, কাপোৰ কানি আদি সকলো জ্বলাই দিয়া হৈছে।

চাৰ, চৰকাৰে আমাক কৈছে যে বৰ্ত্তমান উচ্ছেদ কাৰ্য্য স্থগিত ৰখা হৈছে। আৰু যি সকল প্ৰকৃত মাটিহীন মাটি পোৱাৰ যোগ্য সেই সকলক মাটি বিতৰণ কৰা হ'ব। কিন্তু এইখিনি কৰাৰ পিচতো আজি দেখা গৈছে যে অতি নিষ্ঠুৰভাৱে উক্ত উচ্ছেদ কাৰ্য্য চলোৱা হৈছে। এই চিঠি-খন আছিল যোৱা ২৮-২-৮৪ তাৰিখৰ। ইয়াৰ আগতেও উচ্ছেদ কাৰ্য্যৰ কথা শুনিছিলোঁ। কিন্তু এইদৰে ঘৰত জুই দিয়াৰ অভিনৱ কাৰ্য্য পোৱা নাছিলোঁ। এটা নতুন ইতিহাস বন বিভাগে ৰচনা কৰিলে। অকল তাতেই নহয় বিভিন্ন ঠাইৰ বন বিভাগৰ দ্বাৰা এই উচ্ছেদ কাৰ্য্য চলাই থকা হৈছে। সেয়ে চাৰ, মই আকৌ এবাৰ চৰকাৰৰ পৰা আচল নীতিটো জানিব বিচাৰিছোঁ আৰু লগতে এইটোও বিচাৰিছোঁ যে এনে ধৰণৰ উচ্ছেদ কাৰ্য্য তৎকালেই বন্ধ কৰক।

Mr. Speaker—The Minister is going to reply regarding the point raised on 2nd April. He had prayed for it and I have allowed.

## Calling Attention Notice

Shri Purno Boro—Mr. Speaker, I beg to call the attention of the Chief Minister under Rule-54 of the Rules of

Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Janakranti' dt. 15th February, 1984 under the caption "১১ জন লোকক দলবদ্ধভাৱে অপহৰণ আৰু এটা গণহত্যা"

Shri Hiteswar Saikia ( Minister )—Mr. Speaker, Sir, I beg to apprise the House about the position with regard to the Call Attention Motion under Rules 54 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly moved by Hon'ble Member Shri Purna Boro regarding a matter of publice importance, namely, news item published in the "Janakranti" in its issue dated 15th February, 1984 under the Caption. "১১ জন লোকক দলবদ্ধভাৱে অপহৰণ আৰু এটা গণহত্যা।"

